(b) If so, what is the reason of this closure ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়। ২০।৮।৮৮ ৰ পৰা ১২।৯।৮৮ লৈ বন্ধ আছিল।

(খ) বানপানীত তল যোৱাৰ বাবে।

বিষয় : **ফৰেষ্টাৰ নিযুক্তি।**

শ্ৰীহেমেন দাসে সুধিছে :

* ১৪। মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৭ চনৰ জানুৱাৰীৰ পৰা ১৯৮৮ চনৰ ১লা চেপ্তেম্বৰৰ ভিতৰত অসমৰ মূখ্য বন সংৰক্ষক (বন্যপ্ৰাণী) ফৰেষ্টাৰ আৰু ফৰেষ্ট গাৰ্ড নিয়োগ কৰিছে নেকি ?

(খ) যদি কৰিছে, কিমান জন আৰু কি পদ্ধতিত বাচনি কৰিছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, পুনৰ নিয়োগ কৰা হৈছে।

(খ) ২৮ জন। এওঁলোক আটায়ে সাময়িক ভিত্তিত বহুবছৰ ধৰি বন বিভাগত কাম কৰি আছিল। গতিকে তেওঁলোকৰ পুনৰ নিযুক্তিৰ বাবে নতুন বাচনি হোৱা নাই আৰু বাচনিত পদ্ধতিৰ প্ৰশ্ন অহা নাই।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য-মন্ত্ৰী মহোদয়ৰ পৰা এইটো জানিব বিচাৰিছো যে তেওঁলোকক প্ৰথমেই এই নিযুক্তি কি পদ্ধতিত আৰু কেতিয়া দিয়া হৈছিল ? আৰু তেওঁলোকক কি কাৰণত অব্যাহতি দিয়া হৈছিল সেইটো জনাব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য-মন্ত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকক ৭/৮ বছৰ কাম কৰি থকাৰ ভিত্তিত নিযুক্তি দিয়া হৈছিল। এওঁলোক আটায়ে সাময়িক ভাৱে বহু বছৰ বন বিভাগত কাম কৰি আছিল।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এইটো জনাব নেকি যে ফৰেষ্টাৰ আৰু ফৰেষ্ট গাৰ্ড নিযুক্তি দিয়া সময়ত কেনেকৈ আবেদন পত্ৰ সংগ্ৰহ কৰা হৈছিল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ৭/৮ বছৰ আগতে তেতিয়া দায়িত্বত থকা চৰকাৰে কেনেকৈ কি ধৰণে কৰিছিল সেইটো বিচাৰি চাব লাগিব।

Shri Golak Ch. Rajbanshi : Sir, Govt. is a continuous process. So, he cannot avoid the question. He must reply.

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, আমি জানিব বিচাৰিছো যে আগৰ মন্ত্ৰীয়ে লিখি দিয়া কাৰণে হৈছিল নে কোনোবা ডি, এফ, অ'ই বে-আইনীভাৱে নিযুক্তি দিছিল সেইটোহে জানিব বিচাৰিছো।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, গোটেই বিষয়-টো চোৱা হব। কিন্তু কথা হ'ল ৭/৮ বছৰ একেবাহে কাম কৰি থকা বাবেহে তেওঁলোকক সেই ভিত্তিতেই নিযুক্তি দিয়া হৈছিল। তথাপি মাননীয় সদস্যজনে উত্থাপন কৰা বিষয়টো মই পৰীক্ষা কৰি চাম।

## Undisposed Starred Questions

(To which oral answers were not called for want of time. However, written answers deemed to have been laid on the tasle as follows)

বিষয় : ধোদৰ আলি আঁচনি

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

* ১৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ধোদৰ আলি উত্তৰ পূৰ পৰিষদে গ্ৰহণ কৰা আঁচনি কিমান দূৰ কাৰ্য্য-কৰী হৈছে।

(খ) ধোদৰ আলিৰ সম্প্ৰসাৰণ আৰু উন্নতিৰ বাবে ৰাজ্য চৰকাৰে কিবা সুকীয়া আঁচনি গ্ৰহণ কৰিছে নেকি ?

(গ) এই আঁচনিৰ অধীনত কিমান ধনৰ মঞ্জুৰী দিছে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে :

(ক) উত্তৰ পূৱ পৰিষদে ১৯৮৮ চনৰ ১৬ ইং মাৰ্চত এই পথৰ মুঠ ১০০ কিঃ মি উন্নয়নৰ কাৰণে অনুমানিক নিৰ্ধাৰিত ৮ কোটি টকাৰ অনুমোদন দিছে আৰু এই পথ উন্নয়ন কৰাৰ কাৰণে কেন্দ্ৰীয় গৃহ মন্ত্ৰনালয়ৰ নিৰ্দেশ মৰ্মে সীমান্ত পথ সংস্থাক দিবলৈ উত্তৰ পূৱ পৰিষদে সিদ্ধান্ত কৰিছে। উপৰোক্ত সিদ্ধান্তৰ বিৰোধিতা কৰি অসম গড়কাপ্তানী বিভাগক এই কাম কৰিবলৈ দিয়াৰ কাৰণে অনুৰোধ কৰা হৈছে। উন্নয়নৰ কাম উপৰোক্ত কাৰণে আগ বাঢ়িব পৰা নাই।

(খ) উপৰোক্ত অনুমোদন সাপেক্ষে ৰাজ্য চৰকাৰে স্বকিয়া আঁচনি গ্ৰহণ কৰাৰ কথা চিন্তা কৰা নাই।

(গ) উপৰোক্ত (খ) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে।

## Re : Railway Sleepers.

Shri Mosiruddin Seikh, asked :

* 16 Will the Chief Minister be pleased to state :

(a) The quantity of railway sleepers which were supplied to Railways by Assam Government during 1985, 1986, 1987 and 1988 ?

(b) To whom permits were issued to supply these sleepers during these periods ?

(c) On what basis these suppliers were selected by Govt. ?

(d) Is it a fact that orders for supply were issued without identifying the applicants ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য-মন্ত্ৰী)-য়ে উত্তৰ দিছে :

(ক) ১৯৮৫-৮৬ : ৫,৬৭,৬২২ টুকুৰা আৰু ৬৯১ ঘঃ মিঃ

১৯৮৬-৮৭ : ৪ ১৭,৮৭৭ টুকুৰা

১৯৮৭-৮৮ : ৯৪,৩৪৭ টুকুৰা আৰু ১০০২'৫১২ ঘঃ মিঃ

(খ) কোনো শ্লিপাৰ যোগানকাৰীক অনুজ্ঞাপত্ৰ দিয়া হোৱা নাই।

(গ) শ্লিপাৰ যোগানকাৰী সকলক বাচি উলিয়াবৰ কোনো নিৰ্দ্দিষ্ট ভিত্তি নাই। তথাপিও যোগান ধৰাৰ বাবে প্ৰাৰ্থনা কৰি তেখেতসকলে দিয়া দৰ্খাস্তৰ ওপৰত ভিত্তি কৰি শিক্ষিত নিবনুৱা যুৱকক কিছু অগ্ৰাধিকাৰ দি এই শ্লিপাৰ যোগানৰ বাবে আৱন্তন দিয়া হয়।

(ঘ) শ্লিপাৰ যোগানৰ বাবে আৱন্তন দিয়া সময়ত দৰ্খাস্তকাৰী সকলক চিনক্ত কৰণৰ কোনো আৱশ্যকতা নাই, কাৰণ শ্লিপাৰ যোগানৰ সময়ত দায়ত্ব-শীল বন বিষয়াই শ্লিপাৰবোৰ ভালদৰে পৰীক্ষা কৰি চাই লোৱাৰ পাচতহে শ্লিপাৰৰ মুঠ মূল্যৰ এটা অংশ দিয়া হয় আৰু বাকী অংশটো ৰেল বিভাগৰ পৰা সম্পূৰ্ণ প্ৰাপ্তি স্বীকাৰৰ পিছতহে সোধাই দিয়া হয়।

বিষয়: **চিদ্ চাৰ্টিফিকেচন এজেন্সি।**

শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে:

* ১৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) "চিদ্ চাৰ্টিফিকেচন এজেন্সি" অসমত কেতিয়া স্থাপন কৰা হৈছিল?

(খ) উক্ত এজেন্সিৰ কাম কি?

(গ) উক্ত এজেন্সিৰ কিবা নিজস্ব আচনি আছেনে?

(ঘ) যদি আছে, আচনি আৰু তাৰ অগ্ৰগতিৰ বিষয়ে চমু আভাষ দিব নে?

শ্ৰীদেৱ কুমাৰ বৰা (কৃষি বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে:

(ক) অসম ৰাজ্যিক বীজ প্ৰমানিকৰণ এজেন্সি ১৯৮৫ চনৰ পহিলা জানুৱাৰীত স্থাপন কৰা হৈছিল।

(খ) অসম ৰাজ্যিক বীজ প্ৰমানিকৰণ এজেন্সিৰ কামবোৰ:

১। ভাৰত চৰকাৰৰ দ্বাৰা গৃহিত ১৯৬৬ চনৰ বীজ আইনৰ ৯ আৰু ১০ দফাত সন্নিবিষ্ট কৰা দায়িত্ববোৰ পালন কৰা।

২। শস্যৰ উন্নত জাতৰ স্বীকৃতি প্ৰদান আৰু তালিকাভুক্ত কৰা।

৩। স্বীকৃতি প্ৰাপ্ত মূলবীজ আৰু প্ৰজননকাৰী বীজৰ উৎস তালিকাভুক্ত কৰা।

৪। স্থানীয়ভাৱে উৎপাদন কৰা প্ৰমাণিত বীজ উৎপাদকক পঞ্জীভুক্ত কৰা, মূল বীজৰ উৎস নিৰ্ণয় কৰা, বীজ উৎপাদনকাৰীৰ পথাৰ পৰিদৰ্শন কৰা। বীজ বিশুদ্ধিকৰণ, বীজৰ মানদন্দ নিৰ্ণয় কৰা, উৎপাদিত বীজ পৰীক্ষাগাৰত পৰীক্ষা কৰি মানদণ্ড প্ৰমান পত্ৰ প্ৰদান কৰা।

৫। বীজ আইন (১৯৬৬) আৰু বীজ নিৰ্ণয় আদেশ (১৯৮৪) অনুযায়ী বিভাগীয় বিষয়াসকলৰ পৰা প্ৰাপ্ত বীজৰ নমুনা পৰীক্ষা কৰা।

৬। বীজ ব্যৱসায়ী সকলৰ পৰা লোৱা বীজৰ নমুনা পৰীক্ষা কৰা।

৭। বীজ পুনৰ প্ৰমানিকৰণ কৰা।

৮। কেন্দ্ৰীয় বীজ প্ৰমানিকৰণ বোৰ্ড, অসম কৃষি বিশ্ববিদ্যালয়, অসম বীজ নিগম আদিৰ লগত সমন্বয় ৰক্ষা কৰা।

৯। প্ৰমানিত বীজ উৎপাদনৰ বিষয়ে শিক্ষামূলক কাৰ্য্যসূচী গ্ৰহণ কৰা।

(গ) আছে।

(ঘ) অসম ৰাজ্যিক বীজ প্ৰমানিকৰন আচনিখনৰ অগ্ৰগতি এনে ধৰণৰ :—

১। বীজ প্ৰমানিকৰন বীজৰ নমুনা পৰীক্ষা আৰু পুনৰ প্ৰমানিকৰন :— ১৯৮৪-৮৫ চনৰ পৰা ১৯৮৭-৮৮ চনলৈকে এই এজেঞ্চিয়ে স্থানীয় ভাৱে উৎপন্ন হোৱা ১, ৮২, ৫৩২' ৯২ কুইন্টল ধানৰ বীজ, ১৩, ৪৩৩' ৫০ কুইন্টল সৰিয়হৰ বীজ, ৮৩২' ১৩ কুইন্টল মৰাপাটৰ বীজ, ১৩১২ ' ২০ কুইন্টল চয়াবিনৰ বীজ, ১০৭' ০৫ কুইন্টল মাটিমাহ মগুমাহৰ বীজ, ২১'০০ কুইন্টল মাকৈৰ বীজ, ২০০' ০০ কুইন্টল ওটৰ বীজ, ৫৪ কুইন্টল বাদামৰ বীজ প্ৰমাণিত কৰিছে।

এই সময়ছোৱাৰ ভিতৰত এজেঞ্চিৰ (গুৱাহাটি, যোৰহাট আৰু শিলচৰত থকা) তিনিতন বীজ পৰীক্ষাগাৰত মুঠ ২২, ৯১৯ টা বীজৰ নমুনা পৰীক্ষা কৰা হয়।

যোৱা চাৰি বছৰত মুঠ ১১, ৫১৫' ৩০ কুইন্টল বীজ পুনৰ প্ৰমানিকৰন কৰা হয়।

২। পঞ্জীয়ণভুক্ত বীজ উৎপাদকৰ প্ৰশিক্ষণ :— প্ৰতি বছৰে পঞ্জীয়ণভুক্ত বীজ উৎপাদক সকলৰ বাবে এজেঞ্চিৰ তৰফৰ পৰা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। এতিয়ালৈকে মুঠ ১৬৫২ জনক প্ৰশিক্ষণ দিয়া হৈছে।

৩। উন্নত জাত চিনাক্তকৰন :— এই সময়ৰ ভিতৰত ৪ (চাৰি) টা "জাত" চিনাক্ত কৰা হৈছে আৰু তাৰ তালিকাভুক্তিৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লোৱা হৈছে।

**বিষয় : ভুৰগাওঁ আৰু লাহৰিঘাট চেক্চনৰ ৰাস্তা।**

শ্ৰীআব্দুল জলিলে সুধিছে :

* ১৮ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নগাওঁ (পশ্চিম) ডিভিচনৰ অন্তৰ্গত ভুৰাগাওঁ আৰু লাহৰিঘাট "চেকচনৰ" কোন ৰাস্তা এই বাৰ বানপানীত উটুৱাই নিছে বা ভাঙিছে ?

(খ) উক্ত ৰাস্তা বোৰ কিমান দিনৰ ভিতৰত মেৰামতি হ'ব ?

(গ) ভুৰাগাওঁ চেকচনত কোনো দলং বানপানীত ভাগিছে নেকি ?

(ঘ) যদি ভাগিছে কিমান দিনৰ ভিতৰত মেৰামতি কৰা হ'ব ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে :

(ক) ৰাস্তা সমূহৰ তালিকা 'ক' অনুবদ্ধত দেখুৱা হ'ল ।

## Annexure— III

### "ক" অনুবদ্ধ

**ৰাস্তা সমূহৰ তালিকা :**

১) বাচনা ঘাট ভুৰাগাওঁ ৰাস্তা ।

২) জাপৰিগেৰুৱা কহিতলী পাটি দৈয়া ৰাস্তা ।

৩) নগাওঁ, ভুৰাগাওঁ ৰাস্তা (ধিং হৈ) ।

৪) ভুৰাগাওঁ জংচনৰ পৰা ভুৰাগাওঁ কেম্প হাউচ ৰাস্তা ।

৫) ধূপগুৰি ভুৰাগাওঁ নতুন বজাৰ ৰাস্তা ।

৬) ভুৰাগাওঁ, ডাকৰ ভলাৰ পৰা ধূপৰগুৰি আৰু ভুৰাগাওঁ নতুন বজাৰলৈ যোৱা ৰাস্তা ।

৭) ভুৰাগাওঁ পাডবাটি ৰাষ্টা ।

৮) ঢেকীয়াফলা ৰঙাপাবা ৰাষ্টা ।

৯) ঢেকীয়াফলা বালীয়া জাৰি ৰাষ্টা ।

১০) ঢেকীয়াফলা বাৰতীয়া পাম ৰাষ্টা ।

১১) হিন্দকাপৰি ৰবৰৰী ৰাষ্টা ।

১২) জাপৰি গেৰুৱা কহিতলী পাটিদৈয়া ৰাষ্টাৰ পৰা তিনিচুকীয়া ।

১৩) ভুৰাগাওঁ ৰবালীমাৰী ৰাষ্টা ।

১৪) প্ৰথম কিঃ মিঃ গেৰুৱা জাপৰি কুঁহিতলী পাটি দৈয়া ৰাষ্টাৰ পৰা ৰবালী মাৰী লৈ যোৱা ৰাষ্টা ।

১৫) টেঙাগুৰি বজাৰৰ পৰা লালী নদীলৈ যোৱা পথ ।

১৬) চেনীমাৰী কাঠনি মিদ্ধিৰ গাওঁ ৰাষ্টা ।

১৭) মৰিগাওঁ নাওঁ ভুকুণ্ডা কুহিতলী ৰাষ্টা আৰু বাচনাঘাট ভুৰা গাওঁ সংযোগী পথ ।

১৮) জামুগুৰি ভুৰণ্ডা লাহৰিঘাট পথ (১৭ কিঃ মিঃ ৰ পৰা ২৫ কিঃ মিঃ লৈ)

১৯) দেৱাগুৰি গবৈমাৰী পথ ।

২০) ৰোঙাৰ পৰা নগাবন্দা হাইস্কুল পথ ।

২১) গৰখুটি ৰৰচলা পথ ।

২২) বৰথল কছাৰী গাওঁ ৰাষ্টা বৰবড়ি গবিয়াবড়ি, নৰ্নিং বড়ি হৈ ।

২৩) খৈৰাবাৰী লোচনা বড়ি পথ ।

(খ) জিলাই প্ৰতি তিনিখন তালিকা অগ্ৰাধিকাৰ ভিত্তিত ৰনোৱা হৈ আছে। প্ৰয়োজনীয় পূজি লাভ কৰিলে এই ৰছৰত কামখিনি হাতত লোৱা হব। ইতিমধ্যে অস্থায়ী মেৰামতিৰ কাম আৰম্ভ কৰা হৈছে ।

(গ) হয় ভাঙিছে ।

(ঘ) ভঙা দলং সমূহৰ মেৰামতিৰ কাম এই বছৰতে বানপানী মেৰামতি শিতানত পুজিৰ মঞ্জুৰী অনুপাতে অগ্ৰাধিকাৰ ভিত্তিত হাতত লোৱা হৰ ।

**Re : Repairing of Hailakandi Sonairkon road.**

Shri Abdul Muzumdar, asked :

* 19. Will the Minister, P. W. D. be pleased to state :

(a) Whether the Govt. is aware that no repairing work on the Hailakandi Somairkon and Somairkona Kalacherra road has been done for last 3 years ?

(b) If so, will the Govt. be pleased to allot a special fund for the road ?

(c) Will the Govt. be also pleased to allot a separate fund for the black-topping of the road from Somairkona to Kalacherra ?

(d) Will the Govt. be pleased to state as to when the P. W. D. will take up the black-topping work of Monacherra Gudamghat road ?

(e) Will the Govt. be pleased to allot a special fund for the black-topping of the said road ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে :

(ক) কথাটো সচা নহয়। পুঁজি অনুসৰি ৰাস্তাটোৰ মেৰামতিৰ কাম কৰি থকা হৈছে।

(খ) প্ৰশ্ন নুঠে।

(গ) পৰ্য্যাপ্ত পৰিমানৰ ধন পালে বিবেচনা কৰা হব।

(ঘ) ৰাস্তা পকীকৰণৰ কাম পৰিকল্পনা ভিত্তিত মনাচেৰাৰ পৰা ১৯০ মিটাৰ ৰাস্তাৰ অংশ অনুমোদিত হৈছে।

(ঙ) পৰ্য্যাপ্ত পৰিমানৰ ধন পালে বিবেচনা কৰা হব।

বিষয় : **বিলাসীপাৰাৰ M. N. P. ৰাস্তাৰ ধন।**

শ্ৰীইউচুফ আলী আহমেদে সুধিছে :

* ২০ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ধুবুৰী সংমণ্ডলৰ অন্তৰ্গত বিলাসীপাৰা **I. B.** to Mayerchar M. N. P. ৰাস্তাত বিলাসীপাৰা সমষ্টিৰ বিধায়কে লিখিত অনুৰোধ কৰা সত্বেও extensionৰ টকা নিদিয়াৰ কাৰণ কি ?

(খ) চৰকাৰে উক্ত ৰাস্তাত এখন দলং তৈয়াৰ কৰাৰ প্ৰয়োজনীয় ধন চৰকাৰে অনুন্নত এলেকা হিচাবে বিশেষ মঞ্জুৰী দিবনে ?

(গ) এই ৰাস্তা যোৱা বাৰ পানীত বিধস্ত হোৱাত মেৰামতিৰ বাবে কিমান মঞ্জুৰী দিব বা ইতিমধ্যে দিছে।

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বিলাসীপাৰা ডাকবঙলাৰ পৰা পথটো গৌৰাঙ্গ নদীলৈকে সজা হৈছে। গৌৰাঙ্গৰ পকী দলংখন নোহোৱা বাবে আন পাৰৰ পথ সম্প্ৰসাৰণ কৰাৰ কাম হাতত লোৱা নাই যিহেতু দলং নহলে পথৰ ব্যৱহাৰ নহব।

(খ) ৭ম পৰিকল্পনাত পকী দলঙৰ বাবে ধাৰ্য্য কৰা পুজি ইতিমধ্যে আৱন্তন হোৱাত এতিয়া কোনো নতুন আঁচনি লব পৰা নহয়।

(গ) অগ্ৰাধিকাৰ ভিত্তিত নিৰূপন কৰা তালিকাত পথটো অন্তভুক্ত হলে আৰু লাগতিয়াল পুজি পালেহে কাম হাতত লব পৰা হব।

## UNSTARRED QUESTIONS AND ANSWERS

**Re : Payment of Arrears for Sleepers.**

Shri Maziruddin Ahmed, asked :

1. Will the Chief Minister be pleased to state :

(a) Whether pursuant to the reply in respect of unstarred question No. 878 dated 27th April, 1988, application was made by 5 persons before the Forest Minister on 18th June, 1988 for payment of arrears in respect of supply of sleepers ?

(b) Whether the said application was made over to the CCF for early disposal ?

(c) Whether the C.C.F. assured payment within a month ?

(d) If so, whether the said arrears have been paid by now and if not please state (the date) when it will be paid ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) আৱেদনকাৰীৰ ১৮-৬-৮৮ তাৰিখৰ আবেদন পত্ৰ পোৱা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে ।

(গ) মূখ্য বন সংৰক্ষকৰ প্ৰতিবেদনৰ পৰা জনা যায় যে তেনেধৰণৰ কোনো প্ৰতিশ্ৰুতি দিয়া হোৱা নাই ।

(ঘ) প্ৰাপ্যধন দিয়া হোৱা নাই। খাতাং তাৰিখ দিব পৰা নহয় ।

**বিষয় : ট্ৰেক্টৰৰ আবেদন ।**

শ্ৰীমতী অমিয়া গগৈয়ে সুধিছে :

২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৱা বানপানীত অসমৰ বহু ঠাইত কৃষক সকলৰ হালোৱা গৰু মৃত্যুৰ মুখত পৰাত দুখীয়া খেতিয়কে পুনৰ গৰু কিনি এই বছৰৰ ৰবি শস্য নতুবা অহা বছৰৰ শালিখেতি কৰিবলৈ মাটি চহাব নোৱাৰা হোৱা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে এই পৰিস্থিতিত দুলিয়াজান সমষ্টিৰ ৰাইজে ব্যাপক হাৰত

ৰবি শস্যৰ বাবে মাটি চহাবলৈ ট্ৰেক্টৰৰ বাবে আবেদন কৰা কথাটো চৰকাৰে জানেনে ?

(গ) যদি জানে চৰকাৰে কিমান দিনৰ ভিতৰত ট্ৰেক্টৰৰ যোগান ধৰিব জনাবনে

শ্ৰীদেৱ কুমাৰ বৰা (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) জানে ।

(খ) ডিব্ৰুগড় জিলাৰ খেতিয়কক ৰবি শস্যৰ খেতিৰ মাটি চহাবলৈ ট্ৰেক্টৰৰ কাৰণে ডিব্ৰুগড় মহকুমা কৃষি অভিযন্তাৰ ওচৰত সাধাৰণতে দৰ্খাস্ত দিয়ে। কিন্তু চুলিয়াজানত মাটি চহাবৰ বাবে কিমানে দৰ্খাস্ত দিছে তেনে খবৰ এতিয়াও পোৱা হোৱা নাই।

(গ) প্ৰতি জিলা আৰু মহকুমাত কাৰ্য্যবাহী অভিযন্তা (কৃষি)/মহকুমা কৃষি অভিযন্তা সকলৰ হাতত বিভাগীয় ট্ৰেক্টৰ সমূহ ৰখা হয়। ডিব্ৰুগড় জিলাতো এই ব্যৱস্থা আছে। বিভাগীয় নিয়ম অনুযায়ী আৰু ট্ৰেক্টৰৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি, ডিব্ৰুগড়ত থকা মহকুমা কৃষি অভিযন্তাই মাটি চহাবলৈ ট্ৰেক্টৰৰ বাবে পোৱা আবেদন সমূহ পৰীক্ষা কৰি চাই যোগান ধৰাৰ ব্যৱস্থা কৰিব ।

## Re : Seeds for farmers of Barpeta District.

Shri Sheikh Abdul Hamid asked :

3. Will the Minister, Agriculture be pleased to state :

(a) The quantity and types of seeds made available to the flood affected farmers of the Barpeta District since the flood of 1988 ?

(b) The quantity and types of seeds distributed amongst the flood affected farmers of Baghbar and Kalgachia Circle this year ?

Shri Deba Kumar Bora, Minister of Agriculture replied :

(a) 139.80 Qtls. of Culture– 1 paddy seeds were made available to the flood affected farmers of Barpeta District during 1988-89.

(b) The following quantities of Culture – I seed distributed amongst the flood affected farmers of Baghbar and Kalgachia Circle.

| Circle | Quantity | Area to be covered (in bigha) |
|---|---|---|
| (1) Baghbar | 126 . 00 Qtls. | 1280 Bigha. |
| (2) Kalgachia | Nil | Nil |

বিষয় : বিশ্বনাথ চাৰিআলিত পানী যোগান আঁচনি ।

শ্ৰীপদ্মনাথ কৈৰীয়ে সুধিছে :

৪। মাননীয় নগৰ পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বিশ্বনাথ চাৰিআলি নগৰ অঞ্চলত চৰকাৰে পানী যোগানৰ ব্যৱস্থা লৈছে নেকি ?

(খ) যদি লৈছে, কেনে আচনি হব, আৰু কেতিয়াৰ পৰা কাম আৰম্ভ কৰিব জনাবনে ?

শ্ৰীচহিছুল আলম চৌধুৰী (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) আচনি তৈয়াৰ কৰা হৈছে।

(খ) ধনৰ ব্যৱস্থা কৰিব পাৰিলে কাম আৰম্ভ কৰা হব ।

বিষয় : গাছ আটক ।

শ্ৰীৰামেন্দ্ৰ দে সুধিছে :

৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাবেন কি ?

ক) ১৯৮৪ ইংরেজি থেকে ১৯৮৮ ইংরেজির সেপ্তেম্বর মাস পর্য্যন্ত আসাম রাজ্যের বিভিন্ন ডিভিশনে কতটা গাছ আটক করা হয়েছে ও তার মূল্য কত ? ( ডিভিশন অনুযায়ী হিসাব দিতে হবে )

খ) কতটা গাছ নিলাম হয়েছে ?
( ডিভিশন ভিত্তিত )

গ) করিমগঞ্জ জিলায় পাথারকান্দি রেঞ্জে বর্ত্তমানে কতটা বেআইনী গাছ আছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

| | সংমণ্ডল | জব্দ কৰা গছ | মূল্য |
|---|---|---|---|
| ক) | | | |
| | ডিব্ৰুগড় | ৮৬৪ | ২, ৬০, ২৪৩·৮৩ টকা |
| | কৰিমগঞ্জ | ৩৮৯৩ | ২৬, ৩৪, ০০০·০০ টকা |
| | গোৱালপাৰা | ৪৯১১ | ৪৫, ৭৪, ৮৩৯·০০ টকা |
| খ) | ডিব্ৰুগড় | ২৭০ ডাল | |
| | কৰিমগঞ্জ | ১১৩২ ডাল | |
| | গোৱালপাৰা | ৪৬০ ডাল | |

গ) তথ্য বিচৰা হৈছে কিন্তু এতিয়াও পোৱা হোৱা নাই। বাকী সংমণ্ডল বিলাকৰ পৰা তথ্য এতিয়াও পোৱা হোৱা নাই।

বিষয় : মন্দিৰা, মিছলামাৰী ৰাস্তাৰ **Blacktopping**

শ্ৰীগোপীনাথ দাসে সুধিছে :

৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত "মন্দিৰা মিছলামাৰী" ৰাষ্টাটোত Blacktopping ৰ কাম কৰাৰ বাবে ১৯৮৭-৮৮ চনত চৰকাৰে এক লাখ টকাৰ মঞ্জুৰী দিয়া কথাটো সঁচানে ?

(খ) যদি সঁচা, তেন্তে উক্ত ৰাষ্টাটোত Black Topping কৰাৰ কাম শেষ হৈছেনে ?

(গ) যদি হোৱা নাই, তেন্তে অতি সোনকালে কামখিনি শেষ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সঁচা।

(খ) কাম কৰা হোৱা নাই।

(গ) প্ৰয়োজনীয়তাৰ গুৰুত্বলৈ চাই এই পথটোতকৈ অধিক যান বাহন চলা শিংৰা হেকৰা নগৰবেৰা পথটো উন্নতি কৰাৰ বাবে বিভাগীয় ভাৱে চিন্তা কৰা হৈছে।

বিষয় : অভাৰ ব্ৰীজ নিৰ্ম্মাণ।

শ্ৰীউৎপল দত্তই সুধিছে :

৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) লক্ষীমপুৰ চহৰৰ পৰা উত্তৰ লক্ষীমপুৰ অসামৰিক চিকিৎসালয় এয়াৰ পৰ্ট, পশুচিকিৎসা মহাৰিদ্যালয়লৈ যোৱা ৰাস্তাত ৰেলওৱে ক্ৰচিং থকা হেতুকে ট্ৰেফিক বন্ধ হোৱা কথাটো চৰকাৰৰ অবগতনে?

(খ) যদি জানে তেন্তে এই ক্ৰচিংত এটা অভাৰ ব্ৰীজ দিয়াৰ কথা চিন্তা কৰিছেনেকি ?

(গ) যদি ভাবিছে কেতিয়াৰ পৰা কাৰ্য্যকৰী ব্যৱস্থা হাতত লৰ জনাবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে :

(ক) হয়, যান-ৰাহন চলাচল নিতৌ কেইবাৰমান বন্ধ হোৱাৰ কথা চৰকাৰ অৱগত ।

(খ) সপ্তম পৰিকল্পনাত ধনৰ নাটনিৰ ৰাবে বৰ্ত্তমান কথাটো চিন্তা কৰা নাই ।

(গ) প্ৰশ্ন নুঠে ।

### Re : Suckchar Telipara Road.

Shri Aminul Islam, asked :

9. Will the Minister P. W. D. be pleased to state :

(a) Is it a fact that Suckchar Telipara road in Mankachar Legislative Assembly Constituency is virtually vanished during the recent flood ?

(b) If so will the Govt. provide funds for the reconstruction of the road ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে :

(ক) যোৱা বানপানীত ৰাস্তাটো ঠায়ে ঠায়ে ৰেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা কথাটো সঁচা

(খ) এই বছৰৰ বান বিধ্বস্ত মেৰামতিৰ শিতানত লাভ কৰা পুজিৰ অনুপাতে অগ্ৰাধিকাৰৰ ভিত্তিত মেৰামতিৰ কাম হাতত লোৱা হব ।

### Re : Repairing of Molakhowa-Tantipara road.

Shri Aminul Islam asked :

10. Will the Minister P. W. D. be pleased to State :

(a) Is it a fact that Molakhowa-Tantipara road in Mankachar Legislative Assembly Constituency is damaged

beyond recognition during recent flood snapping communication totally in the northern areas of Mankachar Constituency ?

(b) If so will the Government provide necessary F. D. R. grants for undertaking repair works for early restoration of snapped communication ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) যোৱা বানপানীত ৰাস্তাটোৰ যথেষ্ট ক্ষতি আৰু লগতে যোগাযোগ বিচ্ছিন্ন হোৱা কথাটো সঁচা।

(খ) বান পানী মেৰামতি শিতানৰ এই বছৰৰ ধন মঞ্জুৰী অনুপাতে অগ্ৰাধিকাৰৰ ভিত্তিতহে ৰাস্তাটোৰ মেৰামতিৰ কাম হাতত লোৱা হব।

Re : **Roads damaged in Mankachar Constituency**

Shri Aminul Islam asked :

11. Will the Minister P. W. D. be pleased to State :

(a) Is it a fact that :

i) Thakuranbari-Kalorchar
ii) Kakripara-Beparipara
iii) Kakripara-Sadartilla
iv) New Sahapara
v) T. M. Toad to Namadaspara.
vi) Sonarpara
vii) Diara-Pepulbari
viii) Kalapani-Kazipur
ix) Jhowdanga-Baghapara (x) Dhanua-Kathalbari
xi) Gajarikandi-Pepulbari
xii) Kharuabandha-Manullapara
xiii) Kathalpari-Purandiara
xix) Baghapara-Tapolpara, Roads

of Mankachar Constituency are badly damaged during the recent flood ?

(b) If yes, will the Govt. provide necessary funds for undertaking repair works ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) বানপানী মেৰামতিৰ শিতানত এই বছৰৰ মঞ্জুৰী অনুপাতে অগ্ৰাধিকাৰৰ ভিত্তিতহে ৰাস্তাবোৰৰ মেৰামতিৰ কাম হাতত লোৱা হব।

Re : **Agriculture Loan**

Shri Aminul Islam, asked :

12. Will the Minister, Agriculture be pleased to state :

a) Whether the Government have decided to offer' Agriculture Loan' to the flood affected farmers ?

b) If yes, how long the process will take and the benefit will reach the farmers ?

Shri Deba Kumar Bora, [Minister, Agriculture] replied :

a) No. There is no proposal to offer agriculture loan to the flood affected farmers by this department.

d) Does not arise.

Re : **Repairing of P. W. D.** Roads.

Shri Abdul Muqtadir Choudhury, asked :

13. Will the Minister, P. W. D. be pleased to state ;

a) Amount sanctioned for the repair and maintanance of P. W. D. roads within Karimganj P. W. D. division in 1987-88 till date ?

b) Amount paid out of repair head to M/R Labours work charged persons etc. in 1987-88 and in the current year ?

c) How many P. W. D. roads within Karimganj P. W. D division were closed for vehicular traffic during the current year (1988-89) ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে :

ক। ১৯৮৭-৮৮ আৰু এতিয়ালৈ ১৯৮৮-৮৯ চনৰ মঞ্জুৰী দিয়া মুঠ ধনৰ পৰিমান ৭৩'০০০ লাখ টকা।

খ। ১৯৮৭-৮৮ চনত মাষ্টাৰ ৰোল কৰ্মীক দিয়া মুঠ ধনৰ পৰিমান ২৯'১৯ লাখ টকা আৰু ১৯৮৮-৮৯ চনৰ চেপ্তেম্বৰ মাহলৈ দিয়া ধনৰ পৰিমান ১৫'২০ লাখ টকা।

গ। চলিত বছৰত ১০ টা ৰাস্তা যাতায়তৰ কাৰণে বন্ধ আছিল।

**Re : The Sub-Divisional Board for ST/SC.**

Shri Muktar Hussain, asked :

14. Will the Minister, W. P. T. & S.C. be pleased to State :

(a) The composition of the sub-divisional Boards for Barpeta district (i) Board for Welfare of Plains Tribals and (ii) Board for Welfare of Scheduled castes ?

(b) Total budgetary allocations made in 1985-86, 1986-87 and 1987-88 in respect of above 2 Boards and the amounts actually spent ?

Shri Durga Das Boro, (Minister of State, Welfare of Plains Tribes and S. C. ) replied :

(a) The composition of the existing Sub-Divisional Development Boards for the Scheduled Tribes (Plains) and the Scheduled Castes of Barpeta District (Sub-Division) are at Annexures I & II respectively.

(b) Such Sub-Divisional Development Board-wise, no budgetary allocations are made. Therefore, furnishing these informations for the financial years 1985-86, 1986-87 and 1987-88 concerning the above mentioned two Boards does not arise.

## ANNEXURE— IV

### মহকুমা জনজাতি উন্নয়ন বোৰ্ড, বৰপেটা।

| | | |
|---|---|---|
| ১। শ্ৰীসুচেন বড়ো | — বগী দৰা, পোঃ অঃ কমাৰগাওঁ | — সভাপতি। |
| ২। শ্ৰীজয়হিন্দ বসুমতাৰী | — নিজৰাঘৰৰ, পোঃ অঃ বাঘবৰ | — সদস্য |
| ৩। শ্ৰীবাসুদেৱ বসুমতাৰী | — | — ” |
| ৪। শ্ৰীকান্তেশ্বৰ বসুমতাৰী | — ৰঙাচৰা, পোঃ অঃ মইনামাত | — ” |
| ৫। শ্ৰীখগেন বড়ো | — উত্তৰ ফেউৰাখোৱা, পোঅঃ ভলুকডকা | — ” |
| ৬। শ্ৰীঅনন্ত বড়ো | — কুচিয়াজাৰ, পোঃ অঃ ভবানীপুৰ | — ” |
| ৭। শ্ৰীবামুন বসুমতাৰী | — গোমুৰা পঠাৰ, পোঃ অঃ সৰুপেটা | — ” |
| ৮। শ্ৰীঅজয় বড়ো | — গোমুৰা পঠাৰ, পোঃ অঃ সৰুপেটা | — ” |
| ৯। শ্ৰীশ্ৰদ্ধেশ্বৰ বসুমতাৰী | — সাদেৰী, পোঃ অঃ সাদেৰী | — ” |
| ১০। শ্ৰীকৃষ্ণ বড়ো | — হেলনা, পোঃ অঃ হেলনা (টিহু) | — ” |
| ১১। শ্ৰীনীলাম্ব বসুমতাৰী | — শিমলা, পোঃ অঃ কমলাবাৰী | — ” |
| ১২। শ্ৰীআনন্দ বড়ো | — | — ” |
| ১৩। শ্ৰীধনুৰাম দেউৰী | — কাউৰপাৰা, পোঃ অঃ হাউলী | — ” |
| ১৪। শ্ৰীৰাজেন বড়ো | — শিংৰা, পোঃ অঃ গড়টাৰী | — ” |
| ১৫। শ্ৰীহৰকান্ত বড়ো | — সাং-এৰা, পোঃ অঃ এৰা | — ” |
| ১৬। শ্ৰীখগেন বড়ো | — পশ্চিম টেঙা, পোঃ অঃ টেঙা | — ” |
| ১৭। শ্ৰীপ্ৰবীন বড়ো | — বাউসী | — ” |
| ১৮। শ্ৰীহৃদয় দেউৰী | — দামোৰাবোৱা, পোঃ অঃ নগাওঁ | — ” |
| ১৯। শ্ৰীবীৰেন বড়ো | — হাউলী | — ” |
| ২০। শ্ৰীবিপু বড়ো | — হাউলী | — ” |
| ২১। শ্ৰীভোলা বড়ো | — সাং- শুভা; পোঃ অঃ চেঙা | — ” |
| ২২। শ্ৰীপ্ৰফুল্ল বড়ো | — সাং- দখৰা বোৱা, পোঃ অঃ নগাওঁ | — ” |
| ২৩। শ্ৰীবানিকান্ত গয়াৰী | — সাহান বৈৰাগী, পোঃ অঃ নাথকুচী ( টিহু ) | — ” |
| ২৪। উপায়ুক্ত, বৰপেটা | — | — ” |
| ২৫। সংলিষ্ট প্ৰকল্প সঞ্চালক, সমন্বিত জনজাতি উন্নয়ন প্ৰকল্প | | — ” |
| ২৬। মহকুমাত অৱস্থিত উন্নয়ন বিভাগ বিলাকৰ মূৰব্বী বিষয়াসকল | — | — ” |
| ২৭। মহকুমা কল্যাণ বিষয়া, বৰপেটা | — | সদস্য - সচিব। |

## মহকুমা অনুসূচীত জাতি উন্নয়ন বোৰ্ড, বৰপেটা।

| | | |
|---|---|---|
| ১। শ্ৰীগোকুল পাঠক | — ভকতপাৰা, পাঠাৰহাটী, বৰপেটা | — সভাপতি। |
| ২। শ্ৰীসত্যেন্দ্ৰ নাৰায়ন সূত্ৰধৰ | — মন্দিয়া, পোঃ অঃ মন্দিয়া | — সদস্য |
| ৩। শ্ৰীমঙ্গল চন্দ্ৰ দাস | — | — " |
| ৪। শ্ৰীকীৰ্ত্তি দাস | — | |
| ৫। শ্ৰীডিম্বেশ্বৰ দাস | — বৈৰাপুৰ, পোঃ অঃ সৰভোগ | — " |
| ৬। শ্ৰীমুকুন্দ দাস | — হাতাপাৰা, গোবৰ্দ্ধন | — " |
| ৭। শ্ৰীহৰিপদ দাস | — | — " |
| ৮। শ্ৰীসন্তোষ মালাকৰ | — | — " |
| ৯। শ্ৰীমনমোহন হীড়া | — চৰ্না, পোঃ অঃ চৰ্নাজাৰ | — " |
| ১০। শ্ৰীশচীন্দ্ৰ দাস | — নহাট্ৰি, পোঃ অঃ বৰপেটা | — " |
| ১১। শ্ৰীঅভয় দাস | — শালদহ, পোঃ অঃ বনগাওঁ | — " |
| ১২। শ্ৰীগজেন ৰায় | — বামুনদি, পোঃ অঃ এৰা | — " |
| ১৩। শ্ৰীসনাতন দাস | — লাছিমা, পোঃ অঃ সৰ্থেৰাৰী | — " |
| ১৪। শ্ৰীগোপীনাথ দাস | — ভাৱেগাওঁ, পোঃ অঃ সৰুপেটা | — " |
| ১৫। শ্ৰীগোলক বৈশ্য | — ৰূপহী, পোঃ অঃ ৰূপহী | — " |
| ১৬। শ্ৰীমতিলাল চৰকাৰ | — ৰাটগাওঁ, পোঃ অঃ চেঙা | — " |
| ১৭। শ্ৰীখগেন্দ্ৰ নাথ দাস | — বায়তপাৰা, পো অঃ নগাওঁ | — " |
| ১৮। শ্ৰীক্ষিতীশ সূত্ৰধৰ | — বাতেৰতল, ভাতকুচি | — " |
| ১৯। শ্ৰীযোগেশ চন্দ্ৰ ৰয় | — কপাহা পোঃ অঃ মন্দিয়া | — " |
| ২০। শ্ৰীতাৰাপদ দাস | — গোৰিন্দপুৰ | — " |
| ২১। শ্ৰীনাৰায়ন চন্দ্ৰ দাস | — বহৰী, বহৰীহাট | — " |
| ২২। শ্ৰীদীনবন্ধু বৰ্মণ | — কুৰিবিল, পোঃ অঃ আনন্দবজাৰ | — " |
| ২৩। শ্ৰীমহাদেব দাস | — খয়েৰবাৰী, চমুৱামাটি | — " |
| ২৪। উপায়ুক্ত, বৰপেটা | — | — " |
| ২৫। সংশ্লিষ্ট প্ৰকল্প সঞ্চালক, সমন্বিত জনজাতি উন্নয়ন প্ৰকল্প — | | — " |
| ২৬। মহকুমাত অৱস্থিত উন্নয়ন বিভাগ বিলাকৰ মুৰব্বী বিষয়াসকল — | | — " |
| ২৭। মহকুমা কল্যাণ বিষয়া, বৰপেটা — | | সদস্য-সচিব। |

Re : **Agricultural inputs for flood affected farmers.**

Shri Muktar Hussain asked :

15. Will the Minister, Agriculture be pleased to state :

(a) The quantity and types of agricultural inputs made available to the 1988 flood affected farmers of Barpeta District ? (Please supply information Block/Circlewise)

(b) Measures taken and plans made till date in connection with the coming Rabi reason cultivation ?
( Please furnish information Block / Circlewise with reference to the area involved ).

Shri Deba Kumar Bora (Minister, Agriculture) replied :

a) (i) 65,800 bundles of Sali Seedling distributed in Barpeta District.

(ii) 139. 8 qtls. of Culture – I paddy seeds distributed. Block and Circle-wise report not readily available. for Rabi following seed are allotted for Barpeta District.

| | | | |
|---|---|---|---|
| Wheat | — | 5270 | Qtls. |
| Mustard | — | 1660 | Qtls. |
| Pea | — | 2108 | Qtls. |
| Lentil | — | 316 | Qtls. |

বিষয় ঃ উত্তৰ কাজলগাওঁ মূলাগাওঁ পথৰ বাবে অধিগ্ৰহণ কৰা ক্ষতিপুৰণ।

শ্ৰীফণী ভুষন চৌধুৰীয়ে সুধিছে :

১৬ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যোৱা বাজেট অধিবেশনত এটা তৰাবিহীন প্ৰশ্নৰ উত্তৰত উত্তৰ— কাজলগাওঁ মূলাগাওঁ গড়কাপ্তানী পথটোৰ নিৰ্ম্মানৰ সময়ত কোকৰাঝাৰ জিলাৰ ১৭৭ জন মানুহৰ অধিগ্ৰহণ কৰা মাটিৰ ক্ষতি পুৰণ দিয়া হোৱা নাছিল বুলি জনাইছিল। উক্ত ক্ষতিগ্ৰস্ত মানুহ বিলাকৰ অধিগ্ৰহণ কৰা মাটিৰ ক্ষতি পুৰণ দিয়া হ'ল নে ?

খ) উক্ত ৰাস্তাবোৰ নিৰ্ম্মাণ কৰোতে গোৱালপাৰা জিলাবো কিছু সংখ্যক মানুহৰ মাটিও অধিগ্ৰহণ কৰা কথাটো সচঁানে ?

গ) যদি সঁচা তেনেহলে কিমানজন মানুহৰ মাটি অধিগ্ৰহণ কৰিছিল ?

ঘ) উক্ত মানুহ কেইজনকে৷ ক্ষতি পূৰণ দিয়াৰ ব্যৱস্থা লব নেকি ।

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)—য়ে উত্তৰ দিছে :

ক) হোৱা নাই ।

খ) হয় ?

গ) গোৱালপাৰা জিলাৰ উপায়ুক্তৰ পৰা নথিপত্ৰ নোপোৱাৰ বাবে কিমান জন মানুহৰ মাটি অধিগ্ৰহণ কৰিছিল জনা নাযায় ।

ঘ) নথিপত্ৰ, অধিগ্ৰহণৰ প্ৰাককলন আদি পালেহে ব্যৱস্থা লব পৰা হব ।

**Re : Schemes for Welfare of SC and ST.**

Shri A. F. Golam Osmani, asked :

18. Will the Minister, WPT & BC Deptt. be pleased to state :

a) The total amount of money sanctioned on schemes relating to (i) Plains Tribes welfare & (ii) Scheduled Castes Welfare in Barpeta district in between 1985-86 to 1987-88 ?

(Please quote figures year wise and the amount ear-marked subject/headwise.)

b) The amount made available under Tribal Sub-Plan in the District in the years as above ?

( Please quote figures schemewise. )

c) The amount made available from funds earmarked for the Welfare of the Scheduled Castes in the years under reference ? (Please quote figures yearwise.)

Shri Durga Das Baro. (Minister of State, WPT & BC Deptt.) replied :

a) Since in many cases Government sanctions issued by various Departments of the State Government are not on district basis, it is not possible to ascertain the total amount of money sanctioned on schemes relating to the Scheduled Tribes (Plains) welfare and Scheduled Caste people welfare in Barpeta district during the period from 1985-86 to 1987-88.

b) & c) The relevant informations are being collected from the concerned departments and will be furnished when received.

Re : **Quantity of crops damaged by flood.**

Shri A. F. Golam Osmani asked :

19. Will the Minister, Agriculture be pleased to state :

a) The area having crops damaged due to the floods of 1988 in Barpeta district ?

b) The approximate quantity of crops damaged with reference to category of crops ?

c) Whether any programme has been taken up for flood revaged cropping areas if so dimension of programme in relation to distribution of (i) Seed (ii) Seedling (iii) Fertilizer (iv) water supply for Rabi Crop etc ?

Shri Deba Kumar Bora (Minister of Agriculture replied :

a) The Block and Agricultural Extension Officers circle-wise flood damage report crop-wise during 1988 is given in annexure— I.

b) This is shown in annexure— I.

(c) (i) :

## ANNEXURE— V

### SUBDIVISIONAL WISE FLOOD DAMAGE REPORT UNDER BARPETA AGRICULTURAL DISTRICT DURING 1988 - '89.

| Name of Dev. Block. | Name of AEO's Circle | No. of village affected. | No. of farm families affected. | Name of crop Full damage. | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | 6 6 Bao | Ahu paddy | Sali Seedlings. | Sali paddy | Jute | Vegetable | Others | Total |
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 | 11 | 12 |
| PATHSALA AGRIL. SUB-DIVISION. | | | | | | | | | | | |
| 1. Gobardhana Dev. Block. | 1. Gobardhana | 56 Nos. | 4563 Nos. | — | — | 32 | 402 | 73 | 305 | 239 | 1051 |
| | 2. Barpeta Rd. | 50 ,, | 4518 | 12 | — | 18 | 294 | — | 198 | 152 | 674 |
| 2. Bhawanipur Dev. Block | 1. Bhawanipur | 47 ,, | 7538 ,, | 1017.7 | — | 142.9 | 1972 | 110 | 249 | 405 | 3865.6 |
| | 2. Iterbheta | 48 | 8059 | 1232.7 | — | 278.4 | 2952.5 | — | 54 | 125.7 | 4643 |
| 3. Bajali Dev. Block | 1. Patacharpuchi | 45 ,, | 5248 | 13 | 237 | 186.9 | 2375.5 | — | 40 | 50.2 | 2902.6 |
| | 2. Pathsala | 63 | 7715 | 110.9 | 130.9 | 190.5 | 1798 | — | 28.8 | 12.9 | 2277 |
| 4. Jalah Dev. Block. | 1. Jalah | 20 | 1680 | 0.5 | 162.2 | 18.26 | 453.4 | 1.0 | 3 | 10.46 | 648.82 |
| | 2. Salbari | 57 | 5018 | 40.4 | 57.4 | 50.3 | 425.6 | — | 88.3 | 65.8 | 748. |
| | Total | 386 ,, | 44,339Nos. | 2427.2 | 587.2 | 922.36 | 10669 | 184 | 366.1 | 1061.06 | 16410.02 |

## PARTIAL DAMAGE.

| | 13 | 14 | 15 | 16 | 17 | 18 | 19 | 20 | Remarks |
|---|---|---|---|---|---|---|---|---|---|
| 1. | — | — | — | 300 | 58 | 59 | 246 | 662 | |
| 2. | 3 | — | 3.5 | 454 | 4.5 | 64 | 251 | 780 | |
| 1. | 742.9 | — | 54.26 | 1681.6 | 235 | 150 | 240 | 2802.76 | |
| 2. | 2985.2 | – | 98.94 | 1969.5 | — | 49.8 | 125 | 5228.44 | |
| 1. | 12 | 419.2 | 211.5 | 1596 | 7 | 22.5 | 30 | 2298 | |
| 2. | 367.7 | 813 | 31.3 | 1688.5 | 12 | — | 5.8 | 2918 | |
| 1. | 10.6 | 273.3 | 31.2 | 589.8 | 1.8 | 0.8 | 4 | 911.4 | |
| 2. | 110.4 | 147.4 | 55.8 | 1269.8 | 18.7 | 80.8 | 96.1 | 1779.8 | |
| | 4131.8 | 1652.9 | 486.5 | 9549.2 | 366 | 427 | 1022 | 16,679.20 | |

(c) (ii) :

## BARPETA AGRIL. SUB-DIVISION

| Name of Dev. Block. | Name of AEO's Circle | No. of village affected. | No. of farm families affected. | Full damage. Bao | Ahu paddy | Sali Seedlings. | Sali paddy | Jute | Vegetable | Others | Total |
|---|---|---|---|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 | 11 | 12 |
| 1. Barpeta | 1. Keotkuchi | 38 Nos. | 9249 Nos. | 3891 | — | 114 | 1375 | 180 | 53 | 339 | 5952 |
| Dev. Block. | 2. Golibandha | 69 | 9271 | 1803 | 129 | 308 | 4288 | — | — | 119 | 6647 |
| 2. Mandia | 1. Mandia | 71 | 12712 | 2200 | — | 19 | 501 | 200 | — | 600 | 3520 |
| Dev. Block | 2. Baghbar | 29 | 5518 | 1035 | — | 15 | 100 | 111 | — | 112 | 1373 |

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| 3. Ruposi Dev. Block | 1. Sorbog | 42 | 5427 | 145 | — | 86 | 1338 | 24 | 248 | 171 | 2002 |
| | 2. Kalgachia | 44 | 7400 | 2784 | — | 135 | 1835 | 143 | 184 | 346 | 5427 |
| | 3. Kudrakuchi | 32 | 8580 | 1916 | — | 49 | 1380 | 321 | 166 | 295 | 4132 |
| 4. Chenga Dev. Block. | 1. Suva | 44 | 5604 | 1162 | — | 22 | 997 | 112 | 27 | 10 | 2230 |
| | 2. Belbari | 44 | 5247 | 494 | — | 15 | 659 | 2 | 39 | 99 | 1308 |
| | 3. Tarabari | 41 | 7184 | 1912 | — | 68 | 209 | 568 | — | 226 | 2983 |
| | Total | 507 | 84022 | 20605 | 129 | 1676 | 14379 | 1839 | 848 | 2714 | 40521 |
| | Grand total | 893 | 1,28361 | 23,032. | 2-716.2 | 2598.36 | 25,048 | 2023 | 1214.1 | 3775.06 | 56,931. |

PARTIAL DAMAGE.

| | 13 | 14 | 15 | 16 | 17 | 18 | 19 | 20 | 21 |
|---|---|---|---|---|---|---|---|---|---|
| 1. | 2849 | — | 23 | 725 | 48 | 4 | 118 | 3767 | |
| 2. | 121 | — | 14 | 103 | 6 | — | 11 | 255 | |
| 1. | 1314 | — | 2 | 197 | — | — | 2 | 1515 | |
| 2. | 95 | — | — | — | — | — | — | 95 | |
| 3. | 102 | — | 20 | 82 | — | — | — | 209 | |
| 1. | 97 | — | 35 | 1073 | 129 | 45 | 28 | 1387 | |
| 2. | 1092 | — | 35 | 1234 | 218 | — | — | 2579 | |
| 3. | 1510 | — | — | 462 | 220 | — | — | 2192 | |
| 1. | 955 | — | 16 | 623 | 256 | 7 | — | 1857 | |
| 2. | 188 | 5 | 50 | 1550 | 26 | 81 | — | 1900 | |
| 3. | 288 | 4 | — | 47 | 68 | — | 45 | 448 | |
| Total | 8616 | 5 | 196 | 6096 | 971 | 137 | 204 | 16,304 | |
| Grand total | 12,747.8-1657.9-681.5-15,645.2-1337- | | | | | 564 | 1226 | 32,983.20. | |

**Distribution**

| | | | |
|---|---|---|---|
| Seedling distribution | = 66, 000/- Rs. 1.65 lakhs | } | Total Rs. 2.322. |
| Seeds distribution | = 140 qtls. Rs. 0.672 " | | |

65,800 bundles of Seedlings and 139.8 qtls. of seeds distributed during Sali season to Barpeta District.

(iii) Yes, we have distributed seedlings and seeds through D. C. /

(iv) S. D. O. as follows :—

Seedling - 12, 60, 134 bundles cost Rs. 31, 53, 260/-

( Reports of Karbi Anglong, Cachar & Karimganj not received. Dhubri & Kokrajhar did not use Seedlings ).

Seeds - 718 qtls. cost Rs. 3, 74, 880/-

For Rabi also following seeds have been arranged for distribution to flood affectd farmers :

| | |
|---|---|
| Wheat | 50000 qtls. |
| Pea | 20000 qtls. |
| Mustard | 15750 qtls. |
| Lentil | 3000 qtls. |

No scheme for fertilizer has been taken up. Regarding Irrigation existing schemes will be utklised.

**বিষয় : অভয়াপুৰী দক্ষিণ সমষ্টিৰ ক্ষতিগ্ৰস্ত ৰাষ্টা ।**

শ্ৰীবত্নেশ্বৰ সৰকাৰে সুধিছে :

২০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত অভয়াপুৰী দক্ষিণ সমষ্টিত কোন কোন ৰাস্তা ( PWD, M.N.P. ) ১৯৮৮ চনৰ বানপানীত ক্ষতিগ্ৰস্ত হৈছে ?

(খ) উক্ত ক্ষতিগ্ৰস্ত ৰাস্তাসমূহ মেৰামতি কৰিবলৈ কিমান টকাৰ প্ৰয়োজন ?

(গ) প্ৰয়োজন সাপেক্ষে লাগতিয়াল ধনখিনি দিয়াৰ ব্যৱস্থা কৰিছে নে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(১) ন্যুনতম চাহিদা আঁচনিত নিৰ্মাণ কৰা তলত দিয়া পথ সমূহ বৰ্ত্তমান বানপানীয়ে বিধ্বস্থ কৰিছে—

১) অভয়াপুৰী লাটিবাৰী ৰাস্তা

২) সালেমৰ শিমুলাগুৰি
৩) ঔ ডুবি সুতিৰমুখ
৪) অশোক পেপাৰ মিল চাকুমৰা
৫) বড়িগাওঁ খেৰেৰ চৰ

(২) আনুমানিক ১২.৯৮ লাখ টকাৰ প্ৰয়োজন হব।

(৩) আবণ্টিত পুঁজি অনুসৰি অনুদান দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে।

বিষয়ঃ অনুসূচীত জাতি আৰু জনজাতি উন্নয়ন বোৰ্ড।

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছেঃ

২১ মাননীয় অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) উত্তৰ শালমৰা মহকুমাৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ উন্নয়ন বোৰ্ড গঠন কৰা হ'লনে ?

খ) যদি হ'ল, সদস্য সকলৰ নাম জনাৰনে ?

গ) উক্ত সদস্য সকলৰ ভিতৰত কিমান জন চৰকাৰী চাকৰিয়াল আছে ?

(তেওঁলোকৰ নাম আৰু ঠিকনা সদনৰ মেজত দাখিল কৰিব।)

শ্ৰীদুৰ্গাদাস বড়ো (ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ

ক) হয়।

খ) আৰু গ) আৱশ্যকীয় তথ্য সংগ্ৰহাধীন আছে আৰু পোৱা হলেই সদনত দাখিল কৰা হব।

বিষয়ঃ উত্তৰ শালমাৰা মহকুমাত বানপানীত কৃষকৰ ক্ষতি।

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছেঃ

২২ মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) উত্তৰ শালমাৰা মহকুমাত ১৯৮৮ চনৰ প্ৰলয়ংকাৰী বানপানীত কিমান জন কৃষকৰ কিমান টকাৰ শস্য ক্ষতি হৈছে ?

খ) এই ক্ষতিগ্ৰস্ত কৃষকক কিবা সাহাৰ্য্য দিয়া হৈছেনে ?

গ) যদি দিয়া হৈছে কি কি সাহাৰ্য্য দিয়া হৈছে আৰু তাৰ পৰিমান কিমান ?

ঘ) কোন-কোন গাওঁৰ কোন-কোন পৰিয়ালক কি কি সাহাৰ্য্য দিয়া হৈছে ?

(পৰিয়ালৰ মুৰব্বীৰ নাম আৰু গাওঁৰ নাম দিব)

শ্ৰীদেৱ কুমাৰ বৰা (কৃষি বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে :

ক) উত্তৰ শালমাৰা মহকুমাত ১৯৮৮ চনৰ প্ৰলয়ংকাৰী বানপানীত ২৪,৪২৮ ঘৰ খেতিয়কৰ ২,৭৭,৭১,০৮০'০০ টকাৰ (আনুমানিক) শষ্য ক্ষতি হৈছে।

খ) হৈছে।

গ) ৫২,০৫০ বান্দিল কঠিয়া, ৩৫০ কুইন্টল চুমাই ধানৰ বীজ, ১০ কুইন্টল কালাচাৰ ১ ধানৰ বীজ আৰু ১০০ কুইন্টল মাটিমাহৰ বীজ সাহাৰ্য্য হিচাবে দিয়া হৈছে।

(ঘ) ক) ৭০ খন গাওঁত ১০০,০০ কুইন্টল মাটিমাহৰ বীজ, ২৫০০ জন কৃষক পৰিয়ালৰ মুৰব্বীৰ মাজত বিতৰণ কৰা হৈছে। (গাওঁৰ নাম আৰু পৰিয়ালৰ সংখ্যা অনুসূচী (ক)ত সন্নিবিষ্ট কৰা হ'ল।

## অনুসূচী (ক)

### মাটিমাহৰ বীজ বিতৰণ তালিকা

| গাওঁৰ নাম | খেতিয়কৰ সংখ্যা | বীজৰ পৰিমান |
|---|---|---|
| ১। দৰকিনামাৰী | ৬৭ | ২৬৪ কেজি |
| ২। পুৰামাৰা | ৩৮ | ১৫২ " |
| ৩। চেচাঁপানী | ৬৪ | ২৫৬ " |
| ৪। কুচিয়াকাটা | ৬ | ২৪ " |
| ৫। বালাজানী | ১৯ | ৭৬ " |
| ৬। নাৰাণাভটা-৩ | ২৫ | ১০০ " |
| ৭। " -৪ | ২৫ | ১০০ " |
| ৮। শিমলাবাৰী-১ | ২৫ | ১০০ " |
| ৯। " -২ | ২৫ | ১০০ " |
| ১০। ৰাঙাপানী | ২৫ | ১০০ " |
| ১১। লালমাটি | ৭৫ | ৩০০ " |
| ১২। আমগুড়ি | ৩৯ | ১৫৬ " |
| ১৩। সন্তৰ | ৮ | ৩২ " |
| ১৪। ভবাভৰী | ৫ | ২০ " |
| ১৫। চন্তাপাৰা | ৪ | ১৬ " |
| ১৬। চাকলা-২ | ৫৬ | ২২৪ " |
| ১৭। " -১ | ৬৮ | ২৭২ " |
| ১৮। মেটলৰীপাৰা | ৪২ | ১৬৪ " |

| গাওঁৰ নাম | খেতিয়কৰ সংখ্যা | বীজৰ পৰিমাণ |
|---|---|---|
| ১৯। ককিলা উঃ পাৰা | ২৬ | ১০৪ ,, |
| ২০। ককিলা মাজপাৰা-৫১ | ৫১ | ২০৪ ,, |
| ২১। ,, নয়াপাৰা | ৩৫ | ১৪০ ,, |
| ২২। ,, দক্কিনপাৰা | ৪৭ | ১৮৮ ,, |
| ২৩। নামজাৰ পাৰা-২ | ৭১ | ২৮৪ ,, |
| ২৪। ,, -৩ | ৬৬ | ২৬৪ ,, |
| ২৫। সোলমাৰী | ৬৪ | ২৫৬ ,, |
| ২৬। নায়াৰপাৰা-১ | ৬৬ | ২৬৮ ,, |
| ২৭। ককিলা-১ | ৪২ | ১৭২ ,, |
| ২৮। ,, ২ | ১৩৫ | ৫৪০ ,, |
| ২৯। নাম্বাৰপাৰা-২ | ২৩ | ৯২ ,, |
| ৩০। পাৰেচৰ-১ | ৫ | ১০ ,, |
| ৩১। ,, ২ | ৪৩ | ১৭২ ,, |
| ৩২। ,, ৩ | ৮ | ৩২ ,, |
| ৩৩। ডুমেৰগুৰি-১ | ৩৬ | ১৪৪ ,, |
| ৩৪। ,, -২ | ৩১ | ১২৪ ,, |
| ৩৫। ,, -৩ | ২ | ৮ ,, |
| ৩৬। খেৰেৰ চৰ | ১৮ | ৭২ ,, |
| ৩৭। তুৰাকৰী | ৫৭ | ২২৮ ,, |
| ৩৮। ঝাৰপাৰা ১ | ৫৭ | ২২৮ ,, |
| ৩৯। ঝাৰপাৰা ২ | ৩০ | ১২০ ,, |
| ৪০। জানেৰ মূল | ৩৮ | ১৫২ ,, |
| ৪১। মালেগড় ii | ৭৫ | ৩০০ ,, |
| ৪২। মালেগড় iv | ১৮ | ৭২ ,, |
| ৪৩। মালেগড় i | ৬ | ২৪ ,, |
| ৪৪। বেতেমাৰী | ২৬ | ১০৪ ,, |
| ৪৫। ঘোৰামাৰা | ৩০ | ১২০ ,, |
| ৪৬। ধলাগছা | ১৭ | ৬৮ ,, |
| ৪৭। সন্তোষপুৰ- ৩ | ৫১ | ২০৪ ,, |
| ৪৮। সন্তোষপুৰ- ২ | ১৮ | ৭২ ,, |
| ৪৯। সন্তোষপুৰ- ১ | ৯ | ৩৬ ,, |
| ৫০। লঠিবাৰী- ২ | ৮ | ৩২ ,, |
| ৫১। কুচবাৰী- ১ | ১৫ | ৬০ ,, |

| | | | |
|---|---|---|---|
| ৫২। কুচবাৰী- ২ | ৩ | ৩৬ | ” |
| ৫৩। চিকজেৰী- ১ | ৩ | ৩৬ | ” |
| ৫৪। লতীবাৰী- ১ | ২৫ | ১০০ | ” |
| ৫৫। কুচবাৰী- ১ | ১০ | ৪০ | ” |
| ৫৬। চিকাবাৰী- ১ | ৮ | ৩২ | ” |
| ৫৭। লতীবাৰী- ৩ | ৫ | ৯০ | ” |
| ৫৮। লতীবাৰী-৪ | ২০ | ৯২ | ” |
| ৫৯। মৰচিলনা | ২ | ৮ | ” |
| ৬০। ডুমডুমা | ১১ | ৪৪ | ” |
| ৬১। ধনভঙা | ৩৫ | ১৪০ | ” |
| ৬২। খৰছীমাটী | ৮৪ | ৩৩৬ | ” |
| ৬৩। মুধামাৰী | ৩৪ | ১৭২ | ” |
| ৬৪। ঝতিবাৰী | ৯ | ৩৬ | ” |
| ৬৫। ধুমধুমা | ৬ | ২৪ | ” |
| ৬৬। ডিঙ্গাচোৰ | ১০ | ৪০ | ” |
| ৬৭। দীননাথপুৰ | ৪ | ১৬ | ” |
| ৬৮। ভাতকুৰী | ১১১ | ৪৪৪ | ” |
| ৬৯। এছাৰতাৰী | ৫২ | ২০৮ | ” |
| ৭০। ঈশ্বৰজাৰী | ১৩৩ | ৫৩২ | ” |
| | সৰ্ব্বমুঠ— ২৫০০ | ১০০'০০ কু: | |

(খ) ৪২ খন গাওঁত ৫২,০৫০ বান্দিল কঠিয়া ১৩২০ জন কৃষক পৰিয়ালৰ মুৰব্বীৰ মাজত বিতৰণ কৰা হৈছে। (গাওঁৰ নাম আৰু পৰিয়ালৰ সংখ্যা অনুসূচী (খ)ত সন্নিবিষ্ট কৰা হ'ল।

অনুসূচী (খ)

কঠিয়া বিতৰন

| গাওঁৰ নাম | | খেতিয়কৰ সংখ্যা | | বিধানৰ পৰিমাণ |
|---|---|---|---|---|
| ১। ৰৰীগাওঁ | — | ১৪ | — | ৫৬০ বান্দিল |
| ২। বামুনগাওঁ | — | ২৫ | — | ৯৫০ ” |
| ৩। শিঙিমাৰী | — | ৩৭ | — | ১৫০০ ” |
| ৪। থেকৰাবাৰী<br>৫। শিঙিমাৰী | — | ৪০ | — | ১৫০০ ” |

| | | | | | |
|---|---|---|---|---|---|
| ৬। টোতাকী | -- | ৩৮ | — | ১৫০০ | বান্দিল |
| ৭। শলিগাওঁ | | | | | |
| ৮। ৰঘুনন্দনপুৰ | — | ৭৬ | — | ৩০৪০ | " |
| ৯। আমগুৰি | — | | | | |
| ১০। বাসবাৰী | — | ৭ | — | ২৮০ | " |
| ১১। খেচিগাৰী | — | ৩০ | — | ১২০০ | " |
| ১২। খগৰপুৰ | — | ৬২ | — | ২৪৮০ | " |
| ১৩। পাচনীয়া (১) | — | ৩৭ | — | ১৪৮০ | " |
| ১৪। পাচনীয়া (২) | — | ৩৬ | — | ১৪৪০ | " |
| ১৫। পিকনাথাৰী | — | ৩৫ | — | ১৪৪০ | " |
| ১৬। ডুমুৰীয়া | — | ৩৮ | — | ১৫২০ | " |
| ১৭। ভাটিপাৰা | — | ৩৮ | — | ১৫২০ | " |
| ১৮। ডিপন চিপম | — | ৪২ | — | ১৬৯০ | " |
| | | ৫৫০ | | ২২০৫০ | |

## কঠিয়া বিতৰণৰ তালিকা

| ক্ৰঃ নং গাওঁৰ নাম | | পৰিয়ালৰ সংখ্যা | | কঠিয়াৰ পৰিমাণ (বানি |
